# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 06-09-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বি টি আৰৰ ৪০ টা সমষ্টিত ২২ ছেপ্তেম্বৰত হ'বলগীয়া নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা ৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ আগেয়ে দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হৈছিল। এই নিৰ্বাচনৰ বাবে ৩৮৪ খন মনোনয়ন দাখিল হৈছিল আৰু ইয়াৰে ৩৫০ খন বৈধ হিচাপে পৰিগণিত হৈছিল। আজি ৩৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত ৩১৬ গৰাকী এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাত আৱতীৰ্ণ হ'ব।

বাক্সা জিলাত আজি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা ৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ ফলত জিলাখনৰ ছটা পৰিষদীয় সমষ্টিত ৫২ গৰাকী প্ৰাৰ্থী এতিয়া প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। তামুলপুৰ জিলাত ৪১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল আৰু আটাইকেইগৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ওদালগুৰি জিলাত ৭১ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল যদিও ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত ৬৮ গৰাকী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। কোকৰাঝাৰ জিলাত আজি ১৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীৰ সংখ্যা এশলৈ হ্ৰাস পাইছে। চিৰাং জিলাত আজি ছগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত চূড়ান্ত প্ৰাৰ্থীৰ সংখ্যা ৫৬ হৈছে।

এই নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ৰাজনৈতিক দলসমূহে সভা, সমদলৰ জৰিয়তে ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। বাক্সা জিলাৰ ককলাবাৰীত আজি বিজেপিৰ এখন যোগদান সভা অনুষ্ঠিত হয়। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত আজি কমেও ৫০ জন লোকে দলত যোগ দিয়ে। জিলাখনৰ হোজোৰাত আজি ইউ পি পি এল দলৰ এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। দিহিৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত অহোপাত আজি গণ সুৰক্ষা পাৰ্টীৰ এখন যোগদান সভা অনুষ্ঠিত হয়। এই সভাত বি পি এফ আৰু ইউ পি পি এল দলৰ কেইবাগৰাকীও সদস্যই দলটোত যোগ দিয়ে।

তামুলপুৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই আজি প্ৰাৰ্থীসকলৰ প্ৰতীক চিহ্ন আৰু চূড়ান্ত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। এই উপলক্ষে আয়োজিত সভাত বিভিন্ন দলৰ প্ৰতিনিধিসকলক নিৰ্বাচনী আচৰণবিধি সম্পৰ্কে অৱগত কৰোৱা হয়। তদুপৰি সেউজ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে পৰিবেশ বিনষ্ট কৰিব পৰা সামগ্ৰী ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ নিৰ্বাচনী বিষয়াগৰাকীয়ে আহ্বান জনায়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে একাংশ বিধায়ক আৰু সাংসদৰ বিৰুদ্ধে নিষ্পত্তিহীন ফৌজদাৰী গোচৰ সমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰচিকিউচন সঞ্চালকালয়ৰ সঞ্চালক মাখন ফুকনে আদালতক পৰিকল্পনা দাখিল কৰিছে। সেই অনুসৰি শ্ৰীফুকনে জন প্ৰতিনিধিৰ বিৰুদ্ধে ৰুজু হৈ থকা গোচৰৰ নিষ্পত্তিৰ বাবে ৫ খন ডেজিগনেটেড আদালত স্থাপনৰ প্ৰস্তাৱ দিছে। একেদৰে গোচৰসমূহৰ বিচাৰ প্ৰক্ৰিয়াৰ বাবে এখন দিনপঞ্জী প্ৰস্তুত কৰি ধাৰাবাহিক শুনানি গ্ৰহণ, নিৰীক্ষণ আৰু ডেজিগনেটেড আদালতৰ বাবে বিশেষ লোক অধিবক্তা নিযুক্তিকে ধৰি ছটা প্ৰস্তাৱ দিয়া হৈছে। এই অনুসৰি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰুৱা আৰু অৰুণদেৱ চৌধুৰীৰ বিচাৰপীঠে এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে যাৱতীয় পদক্ষেপ লবলৈ সঞ্চালকালয়ক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত সংশ্লিষ্ট জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষকসকলকো সহায় কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশনাত উল্লেখ কৰে। উল্লেখযোগ্য যে অসমৰ প্ৰাক্তন আৰু বৰ্তমানৰ বিধায়ক আৰু সাংসদৰ বিৰুদ্ধে ৭২ টা নিষ্পত্তিহীন গোচৰ ৰুজ হৈ আছে। ইয়াৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত সৰ্বাধিক ২৫ টা, চিবিআই বিশেষ আদালতত ছটা, কামৰূপ মহানগৰ জিলাৰ এক নম্বৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত ৪ টা গোচৰ ৰুজু হৈ আছে। এই গোচৰ সমূহ মীমাংসা নোহোৱাত উদ্বিগ্নতা প্ৰকাশ কৰি উচ্চ ন্যায়ালয়ে এই ক্ষেত্ৰত দ্ৰুত নিষ্পত্তিৰ বাবে কাৰ্যপন্থা দাখিল কৰিবলৈ প্ৰচিকিউচন সঞ্চালকক নিৰ্দেশ দিছিল।

০০০০০

বিশ্ববন্দিত শিল্পী ভূপেন হাজৰিকাৰ বহুমাত্ৰিক প্ৰতিভাই ৰাজ্যৰ লগতে দেশৰ সমাজ-সংস্কৃতি, ইতিহাস আৰু সমসাময়িক ঘটনাক নিৰ্ভেজাল ৰূপত তুলি ধৰিছে। একক আৰু অভূতপূৰ্ব ব্যক্তিত্বৰ শিল্পীগৰাকী কেৱল কণ্ঠশিল্পী হিচাপে নহয়, এগৰাকী গীতিকাৰ, সাহিত্যিক, সাংবাদিক, চিত্ৰকৰ আৰু সমাজ জীৱনৰ দ্ৰষ্টা হিচাপেও অনন্য আছিল। শিল্পীগৰাকীৰ জন্ম শতবৰ্ষৰ সৈতে সংগতি ৰাখি আজি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট গীতিকাৰ ড° দিনেশ বৈশ্য, বিশিষ্ট নিবন্ধকাৰ ড° পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয় যে সমাজ এখনত বিভাজনমুখী প্ৰৱণতাক মষিমুৰ কৰি গীতেৰে এক কৰিব খোজা অনন্য মানসিকতাৰ অধিকাৰী ভূপেন হাজৰিকা আছিল মানৱীয়তাৰ প্ৰতিভূ। তেওঁৰ গীত আৰু লেখাসমূহৰ আবেদন বিশ্বজনিন বুলিও আটাইকেইগৰাকী সমল ব্যক্তিয়ে মন্তব্য কৰে। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত চলিত বছৰৰ মহাবিদ্যালয় গ্ৰন্থমেলা কালিৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হৈছে। ১১ অক্টোবৰলৈ ৰাজ্যৰ ছখন মহাবিদ্যালয়ত চলিবলগীয়া এই গ্ৰন্থমেলা কালি আৰু আজি নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত অনুষ্ঠিত হয়। ৯ৰ পৰা ১১ ছেপ্তেম্বৰলৈ ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, ১৫ আৰু ১৬ অক্টোবৰত নাজিৰা কলেজ, ১৮ৰ পৰা ২০ অক্টোবৰলৈ বিশ্বনাথ কলেজত এই গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। একেদৰে, ২২ৰ পৰা ২৪ ছেপ্তেম্বৰলৈ ছয়দুৱাৰ কলেজ আৰু ১০, ১১ অক্টোবৰত দৰং কলেজত গ্ৰন্থমেলা মুকলি থাকিব।

০০০০০

ঃঃ সমাপ্ত ঃঃ